# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-August-2026
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

### Headlines
--------------------

১। নেপাল আৰু তিববতত হোৱা বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬২৬ লৈ বৃদ্ধি। অসমৰ ১০ গৰাকী লোক সন্ধানহীন।

২। মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক।

৩। শ্বিলঙত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আছাম ৰেজিমেণ্টৰ যুদ্ধস্মাৰকস্থলীত বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

**আৰু**

৪। আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। দেশজুৰি কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকী পালন।

০০০০০০০

নেপাল চৰকাৰে দক্ষিণ ছিটৱান জিলাত ভোটে কোশি নৈৰ বিধবংসী বানত প্ৰাণ হেৰুওৱা প্ৰশাসনে চিনাক্ত কৰিব নোৱৰা  ২২৯ গৰাকী লোকৰ মৃতদেহ সমাধিস্থ কৰাৰ সিদ্ধান্ত লৈছে। মৃতদেহসমূহৰ অৱস্থা বেয়াৰ পিনে ঢাল খোৱাৰ ফলত সংক্ৰমণৰ আশংকালৈ চাই এই সিদ্ধান্ত লোৱা হৈছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ বিপদাশংকা প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, আজি পুৱাৰ ভাগলৈ মুঠ ৬২৬ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ হোৱা মৃতদেহৰ বৰ্ধিত সংখ্যাৰ ফলত চিটৱান জিলা প্ৰশাসন  মৃতদেহ সংৰক্ষিত কৰি ৰখাত জটিলতাৰ সন্মুখীন হৈছে। স্থানীয় চিকিৎসালয়ত পৰ্যাপ্ত ঠাই আৰু সুবিধাৰ অভাৱত মৃতদেহসমূহ ৰখাৰ বাবে অস্থায়ী ব্যৱস্থা কৰিবলগীয়া হৈছে।

স্বাস্থ্য বিশেষজ্ঞসকলে গেলি পচি যোৱা মৃতদেহৰ পৰা ওলোৱা দুৰ্গন্ধৰ ফলত সংক্ৰমণ আৰু ইয়াৰ ফলত মহামাৰী বিয়পিব পাৰে বুলি সকিয়াই দিছে। এনে সকিয়নিলৈ চাই চিটৱানৰ জিলা সুৰক্ষা সমিতিয়ে চিনাক্ত কৰিব নোৱাৰা মৃতদেহসমূহ ভৰতপুৰ নগৰৰ দেৱঘাটৰ মুকলি এলেকাত সমাধিস্থ কৰাৰ সিদ্ধান্ত লৈছে। কৰ্তৃপক্ষসমূহে প্ৰকাশ কৰা মতে, সমাধিস্থ কৰাৰ পূৰ্বে মৃতদেহসমূহৰ  দি এন এ সংগ্ৰহ কৰা হ'ব।

নেপালৰ বানত সন্ধানহীন হোৱা বুলি ইতিপূৰ্বে প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা নামৰ লোক দুজন  নিৰাপদে আছে বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে। অৱশ্যে এতিয়াও অসমৰ ১০ গৰাকী লোকৰ কোনো শুংসূত্ৰ পোৱা হোৱা নাই। আকাশবাণীৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ মেৰাপানীৰ ১ নম্বৰ জয়পুখুৰী গাঁৱৰ ৰাহুল দৈমাৰী নামৰ এজন যুৱক নেপালৰ বানত সন্ধানহীন হৈ আছে। কৰ্মসূত্ৰে নেপাললৈ যোৱা যুৱকজনৰ সৈতে পৰিয়ালৰ যোগাযোগ হোৱা নাই। প্ৰায় এবছৰ ধৰি নেপালৰ এটা পাইপলাইন কোম্পানীত ৰাহুল দৈমাৰীয়ে কাম কৰি আছে।

বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি টেলিফোনযোগে নেপালৰ বানত সন্ধানহীন নলবাৰীৰ অৰৰাৰ অৰুণ মহন্তৰ পৰিয়ালৰ সৈতে কথা পাতে আৰু অৱস্থাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে লগতে চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ সহায় সহযোগিতাৰ আশ্বাস দিয়ে। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নেপালৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নেপালত সন্ধানহীন হোৱা অসমৰ লোকসকলক সুকলমে উভতি আহিব বুলি আশা প্ৰকাশ কৰে।

(বাইট- সোণোৱাল)

0000000

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক কৰা হৈছে। অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ে এই সন্দৰ্ভত এটা নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে ১৮ বছৰ অনুৰ্ধৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নতুনকৈ আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা ৰাজ্য চৰকাৰে বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত উচ্চ শিক্ষা সঞ্চালকালয়ে বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে এই আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি আধাৰ কাৰ্ড নথকা শিক্ষাৰ্থীসকলৰ যাৱতীয় তথ্যসমূহ শিক্ষানুষ্ঠানৰ মুৰব্বীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। এনেদৰে আধাৰ কাৰ্ড লাভ কৰাৰ পাছতহে ছাত্ৰ-ছাত্ৰীসকলে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে আবেদন কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

0000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙত আছাম ৰেজিমেণ্টৰ যুদ্ধস্মাৰকস্থলীত দেশ মাতৃৰ সুৰক্ষাৰ হকে সৰ্বোচ্চ ত্যাগ স্বীকাৰ কৰা বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে ড° শৰ্মাই কয়, যে শ্বহীদসকলৰ অদম্য সাহস, বীৰত্ব আৰু আত্মত্যাগে সকলোকে সদায় দেশ সেৱাৰ বাবে অনুপ্ৰাণিত কৰি যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে যুদ্ধস্মাৰকত বীৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে সমৰ কলা কৌশলৰ প্ৰদৰ্শন প্ৰত্যক্ষ কৰাৰ লগতে সেনা, জোৱান তথা সামৰিক পৰিয়ালবৰ্গৰ সৈতে মত-বিনিময়ো কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীক শ্বিলঙত উষ্ম আদৰণি জনোৱা হয়। মুখ্যমন্ত্ৰীগৰাকীক আদৰণি জনোৱাৰ বাবে বিহু পৰিৱেশনৰ লগতে মেঘালয়ৰ সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰা হয়।

0000000

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি চিটি মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ হোৱা শৈক্ষিক ভৱনটো শুভ উদ্বোধন কৰে। ধেমাজি চিটি মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰী উষা আঁচনিৰ অধীনত ৩ কোটি ৯০ লাখ টকা ব্যয় সাপেক্ষে এই শৈক্ষিক ভৱনটি নিৰ্মাণ কৰা হৈছে। এই নতুন শৈক্ষিক ভৱনটো উদ্বোধন কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ সংযোজন হোৱা ভৱনটোৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষা অনুষ্ঠিত কৰিব পৰাকৈ ১০০ কম্পিউটাৰ আৰু অত্যাধুনিক প্ৰেক্ষাগৃহৰ ব্যৱস্থা আছে বুলি উল্লেখ কৰে। লগতে তেওঁ বিগত কিছু বছৰত মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপভাৱে বৃদ্ধি আৰু ফলাফলৰ ক্ষেত্ৰটো মহাবিদ্যালয়খনে যথেষ্ট গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বুলিও প্ৰকাশ কৰে। এই নতুন শৈক্ষিক ভৱনটোৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক যথেষ্ট উপকৃত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

0000000

অহা ১২ ছেপ্তেম্বৰত দেশজুৰি চলিত বৰ্ষৰ তৃতীয় খন ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। সেইদিনাখন দেশৰ বাকী অংশৰ লগতে হাটশিঙিমাৰীৰ ফেকামাৰীস্থিত জিলা আদালত চৌহদত পুৱা ৯ বজাৰ পৰা লোক আদালত আৰম্ভ হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকৰণে আজি হাটশিঙিমাৰীত সংবাদমেলযোগে এইকথা সদৰি কৰে। সংবাদ মেলত প্ৰকাশ কৰা মতে, এই ৰাষ্ট্ৰীয় লোক আদালতত বিভিন্ন দেৱানি গোচৰ,

আপোচযোগ্য ফৌজদাৰী গোচৰ, চেক বাউন্স, বৈবাহিক তথা পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু বিদ্যুৎ বিভাগৰ সৈতে জড়িত বিবাদ মিমাংসাৰ জৰিয়তে নিস্পত্তি কৰা হব। ইয়াৰোপৰি আদালতত গোচৰ তৰা পূৰ্বৰ বিবাদসমূহো সৌহাদ্যপূৰ্ণভাৱে সমাধান কৰাৰ ব্যৱস্থা থাকিব। হাটশিঙিমাৰীত এইবাৰ এনেধৰণৰ সহস্ৰাধিক গোচৰ নিস্পত্তিৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে হকীৰ যাদুকৰ মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰতীয় হকীত মেজৰ ধ্যানচন্দৰ অৱদানে প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে সকলো ক্ৰীড়া প্ৰেমীলৈও শুভেচ্ছা জনায়।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই এই দিৱস উপলক্ষে নতুন দিল্লীত কিংবদন্তি হকী খেলুৱৈগৰাকীলৈ শ্ৰদ্ধা জনায়। সাংবাদিকৰ আগত তেওঁ কয়, যে ফিট ইণ্ডিয়া অভিযানক আগবঢ়াই নিয়াৰ লক্ষ্যৰে দেশজুৰি ৰান আৱাৰ অন দা প্লেয়িং ফিল্ড শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, স্বাধীনতা যুঁজাৰু, বিশিষ্ট সমাজবাদী নেতা গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান গুৱাহাটীৰ উজান বজাৰস্থিত বিবেকানন্দ সংস্কৃতি প্ৰতিষ্ঠান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হয়। এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰী, নতুন দিল্লীৰ ড° ৰাম মনোহৰ লোহিয়া, গৱেষণা ফাউণ্ডেচনৰ অধ্যক্ষ ৰঞ্জন সিং আৰু জ্যেষ্ঠ সাংবাদিক তথা বিশিষ্ট লেখক প্ৰশান্ত ৰাজগুৰুৱে গোলাপ বৰবৰাৰ জীৱনজোৰা কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে।

০০০০০০০

সমাপ্ত